জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২১১/২০২০

## উদীয়মান খেলুৱৈ আৰু অসম অলিম্পিক সন্থাৰ বিষয়ববীয়াৰ সৈতে মুখ্যমন্ত্ৰীৰ মত-বিনিময়

## লক্-ডাউনৰ মাজতে খেলুৱৈসকলে অনুশীলন অব্যাহত ৰাখিব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৫ এপ্ৰিল ঃ** 'লক্-ডাউনৰ পৰিপ্ৰেক্ষিতত ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় বিভিন্ন ক্ৰীড়া প্ৰতিযোগিতা বাতিল অথবা পিছুৱাই দিয়াৰ পৰিপ্ৰেক্ষিতত খেলুৱৈসকলৰ যথেষ্ট ক্ষতি হৈছে। ক্ৰীড়াৰ ক্ষেত্ৰত অনুশীলন এক গুৰুত্বপূৰ্ণ বিষয়। অনুশীলনৰ ধাৰাবাহিকতাৰ জৰিতেহে সফলতা আহৰণ কৰিব পৰা যায়। এই বিষয়টোৰ প্ৰতি গুৰুত্ব কৰি আমাৰ খেলুৱৈসকলে লক্-ডাউনৰ নীতি-নিয়ম পালন কৰি ক্ৰীড়া ধাৰা অব্যাহত ৰাখিব লাগিব।' আজি ব্ৰহ্মপুত্ৰ ৰাজ্যিক অতিথিশালাত ৰাজ্যৰ কেইবাগৰাকীও উদীয়মান খেলুৱৈ আৰু অসম অলিম্পিক সন্থাৰ বিষয়ববীয়াৰ সৈতে মত-বিনিময় কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

লক্-ডাউনৰ সময়ছোৱাত খেলুৱৈসকলে নিজকে কিদৰে প্ৰস্তুত কৰিছে সেই বিষয়ে বুজ লৈ মুখ্যমন্ত্ৰীয়ে বৰ্তমানৰ প্ৰতিকূল সময়তো খেলুৱৈসকলে আগন্তুক প্ৰতিযোগিতাসমূহৰ বাবে প্ৰস্তুতি চলাই যাবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে খেলুৱৈসকলে সাম্প্ৰতিক সময়ত মনোবল অটুট ৰাখি অনুশীলন অব্যাহত ৰাখিব লাগিব। কিন্তু এই ক্ষেত্ৰত স্বাস্থ্য বিভাগে দিয়া নীতি-নিৰ্দেশাৱলী মানি চলিব লাগিব।

মুখ্যমন্ত্ৰীয়ে লক্-ডাউনৰ সময়ছোৱাত যাতে অনুশীলন অব্যাহত ৰখাৰ ক্ষেত্ৰত খেলুৱৈসকলে অসুবিধাৰ সন্মুখীন নহয়, তাৰ প্ৰতি লক্ষ্য ৰাখিবলৈ অসম অলিম্পিক সন্থাৰ বিষয়া আৰু সদস্যসকলক আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে তেওঁ ইতিমধ্যে বিভিন্ন জিলাৰ অসম অলিম্পিক সন্থাৰ বিষয়ববীয়াৰ সৈতে টেলিফোনযোগে বাৰ্তালাপ কৰিছে যাতে লক্-ডাউনৰ নীতি-নিয়ম পালন কৰি ৰাজ্যখনত ক্ৰীড়াৰ এক বাতাবৰণ পুনৰ উজ্জীৱিত কৰিব পৰা যায়। ৰাজ্য চৰকাৰে খেলুৱৈসকলৰ অনুশীলন অব্যাহত ৰাখিব পৰাকৈ লক্-ডাউনৰ নীতি নিয়মৰ আধাৰত সকলো প্ৰকাৰৰ সহায়-সহযোগিতা আগবঢ়াই যাব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

বৈঠকত অসম অলিম্পিক সন্থাৰ বিষয়ববীয়াসকলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৰ'না ভাইৰাছ সংক্ৰমণৰ বাবে লক্-ডাউন ঘোষণা কৰাৰ বাবে ধন্যবাদ জনাই কয় যে জনসচেতনতা সৃষ্টিৰ ক্ষেত্ৰত খেলুৱৈ আৰু ক্ৰীড়া সংগঠকসকলে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে। লক্-ডাউনৰ সময়ছোৱাত প্ৰতিগৰাকী খেলুৱৈয়ে কিদৰে নিজৰ অনুশীলন অব্যাহত ৰাখিছে সেই সম্পৰ্কত মুখ্যমন্ত্ৰীক অৱগত কৰে।

আজিৰ এই বাৰ্তালাপৰ সময়ত অসম অলিম্পিক সন্থাৰ সাধাৰণ সম্পাদক তথা ছাত্ৰ আৰু যুৱ কল্যাণ উপদেষ্টা সমিতিৰ সদস্য সচিব লক্ষ্য কোঁৱৰ, বিশিষ্ট সাংবাদিক প্ৰণয় বৰদলৈ, অসম অলিম্পিক সন্থাৰ বিষয়ববীয়াসকল, খেলুৱৈসকল ক্ৰমে শিৱাঙ্গী শৰ্মা, তনয়া চৌধুৰী, উপাসা তালুকদাৰ, কেম্পি বড়ো, জ্যোতিৰ্মান বৰা, আয়ন ৰছিদ, প্ৰজ্ঞান মেধী উপস্থিত থাকে।

**প্ৰঃকুঃবঃ / পুঃডেঃ**
**২৫/৪/২০২০**